**Signature and Name of Invigilator**

1. (Signature) ______________________

(Name) ______________________

2. (Signature) ______________________

(Name) ______________________

**Answer Sheet No. :** ...............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ______________________

(In words)

**Test Booklet No.**

**D—3606**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Serial No. of the booklet should be entered in the Answer-sheets and the Serial No. of Answer Sheet should be entered on this Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ● (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या उत्तर-पत्रक पर अंकित करें और उत्तर-पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ● (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक ( कैलकुलेटर ) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

**টোকা ঃ** এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় (50) (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক (2) (দুই)। উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।

**তলৰ 1 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।**

1. অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জী প্ৰণেতাজনৰ নাম কি?

   (A) ডিম্বেশ্বৰ নেওগ (B) মহেশ্বৰ নেওগ

   (C) দেৱেন্দ্ৰ নাথ বেজবৰুৱা (D) সত্যেন্দ্ৰনাথ শৰ্মা।

2. সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপিৰ সময় ঃ

   (A) চতুৰ্থ শতিকা (B) ষষ্ঠ শতিকা (C) নৱম শতিকা (D) পঞ্চম শতিকা

3. শ্ৰীকৃষ্ণৰ কীৰ্ত্তন কাব্যখনি কেইটা খণ্ডত বিভক্ত?

   (A) 10 (B) 15 (C) 13 (D) 16

4. 'জয়দ্ৰথ বধ' কাব্যৰ লেখক কোন?

   (A) হৰিবৰ বিপ্ৰ (B) মাধৱ কন্দলি

   (C) ৰুদ্ৰ কন্দলি (D) কবিৰত্ন সৰস্বতী

5. 'ভক্তি ৰত্নাকৰ' কোন শ্ৰেণীৰ গ্ৰন্থ?

   (A) উপাখ্যান (B) নাটক (C) অনুবাদ (D) প্ৰকৰণ

6. ৰাম সৰস্বতীৰ পিতৃদত্তৰ নাম কি?

   (A) কামদেৱ (B) কবিচন্দ্ৰ (C) মুকুন্দ (D) অনিৰুদ্ধ

7. ৰাণী চন্দ্ৰপ্ৰভাৰ আদেশত ৰচিত ভুৱনেশ্বৰ বাস্পতিৰ গ্ৰন্থখনৰ নাম ঃ

(A) ভক্তি ৰত্নাকৰ (B) নাৰদীয় কথামৃত (C) ৰাজ বংশাৱলী (D) ব্ৰহ্মগীতা

8. অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ অন্যতম গ্ৰন্থ ঃ

(A) 'নিমি-নৱসিদ্ধ সংবাদ' (B) 'জন্ম ৰহস্য'

(C) 'কথা ভাগৱত' (D) 'ভক্তি-ৰত্নৱলী'

9. অসমৰ স্কুল-আদালতত অসমীয়া ভাষাৰ পৰিৱৰ্তে বঙলা ভাষা প্ৰৱৰ্তন কৰা চনটো ঃ

(A) 1826 (B) 1836 (C) 1812 (D) 1846

10. 'হেমকোষ' অভিধান ছপা হৈ ওলোৱা চনটো ঃ

(A) 1901 (B) 1916 (C) 1900 (D) 1909

11. 'সাহিত্য-দৰ্পন' গ্ৰন্থৰ লেখক কোন?

(A) ভৰ্তৃহৰি (B) বিশ্বনাথ কবিৰাজ

(C) কৌটিল্য (C) নাগোজী ভট্ট

12. প্ৰথম অসমীয়া ব্যাকৰণখনৰ নাম ঃ

(A) 'অসমীয়া ব্যাকৰণ'

(B) 'Grammatical Notices of the Assamese ïanguage'

(C) 'বহল ব্যাকৰণ'

(D) 'Grammar of Assamese Language'

13. 'বাইবেল'ৰ অসমীয়া অনুবাদ 'ধৰ্মপুস্তক' যুগুত কৰোঁতাজন ঃ

(A) নিধিৰাম ফাৰৱেল (B) আত্মাৰাম শৰ্মা

(C) মাইল্ছ ব্ৰন্সন (D) এলিজা ব্ৰাউন

14. 'অসমীয়া ল'ৰাৰ মিত্ৰ' গ্ৰন্থখনৰ লেখক ঃ

(A) গুণাভিৰাম বৰুৱা (B) হেমচন্দ্ৰ বৰুৱা

(C) আনন্দৰাম ঢেকিয়াল ফুকন (D) সত্যনাথ বৰা

15. অসমীয়া ভাষাত স্বৰধ্বনি বুজোৱা আখৰ কেইটা?

(A) ১০ (B) ১২ (C) ১১ (D) ৮

16. অসমীয়া ভাষাৰ শ্বাসাঘাত কোনটো অক্ষৰত পৰে?

(A) আদ্যক্ষৰত (B) মধ্যাক্ষৰত (C) উপধা অক্ষৰত (D) অন্ত্যাক্ষৰত

17. হাইদাং গীত কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত?

(A) মিচিং জনগোষ্ঠী (B) কছাৰী জনগোষ্ঠী

(C) তিৱা জনগোষ্ঠী (D) চাহ জনগোষ্ঠী

18. ভাৰীগান প্ৰচলিত অঞ্চল ঃ

(A) কামৰূপ (B) শিৱসাগৰ (C) গোৱালপাৰা (D) নগাওঁ

19. গুৱাহাটীয়া জোনাকীৰ সম্পাদক ঃ

(A) ৰঘুনাথ চৌধাৰী (B) সত্যনাথ বৰা

(C) চন্দ্ৰকুমাৰ আগৰৱালা (D) পদ্মনাথ গোহাঞি বৰুৱা

20. ট্ৰেজেদিৰ প্ৰসঙ্গত 'কেথাৰছিছ' শব্দৰ প্ৰয়োগ কৰ্তা ঃ

(A) প্লেটো (B) লুকাচ (C) এৰিষ্টটল (D) জনছন

**তলৰ 21 ৰ পৰা 25 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰত** ABCD- **এই চাৰিটা বিকল্প দিয়া হৈছে। উত্তৰ-পত্ৰত এই চাৰিটা বিকল্পৰ মাজৰপৰা একোটা শুদ্ধ জোঁট** (Combination) **বাছি চিহ্নিত কৰা।**

21. ‘জোনাকী’ৰ সম্পাদনাৰ সৈতে জড়িত ব্যক্তিকেইজন?

    (I) হেমচন্দ্ৰ গোস্বামী

    (II) পদ্মনাথ গোহাঞি বৰুৱা

    (III) সত্যনাথ বৰা

    (IV) আনন্দচন্দ্ৰ আগৰৱালা

    (A) I আৰু II (B) II আৰু III (C) I আৰু III (D) II আৰু IV

22. আহোম যুগত ৰচিত পুথি ঃ

    (I) ‘আনন্দ লহৰী’

    (II) ‘দৰং ৰাজ বংশাৱলী’

    (III) ‘পদ্মা-পুৰান’

    (IV) ‘হস্তি বিদ্যাৰ্নৱ-সাৰ সংগ্ৰহ’

    (A) I আৰু II (B) I আৰু IV (C) II আৰু III (D) II আৰু IV

23. সাহিত্য একাডেমীৰ বঁটা প্ৰাপ্ত প্ৰথম পুৰুষ আৰু প্ৰথম মহিলা কবি ঃ

    (I) ৰঘুনাথ চৌধাৰী

    (II) যতীন্দ্ৰনাথ দুৱৰা

    (III) ধৰ্মেশ্বৰী দেৱী বৰুৱানী

    (IV) নলিনীবালা দেৱী

    (A) I আৰু II (B) II আৰু IV (C) II আৰু III (D) I আৰু IV

24. তলত দিয়া ভাষাকেইটা সময়ানুক্ৰমে সজোৱা ঃ

(I) সংস্কৃত

(II) প্ৰাকৃত

(III) অপভ্ৰংশ

(IV) বৈদিক

(A) I, II, IV আৰু III

(B) II, I, III আৰু IV

(C) IV, I, II আৰু III

(D) III, IV, I আৰু II

25. নিম্ন লিখিত আলোচনীকেইখন সময়ানুসাৰে সজোৱা ঃ

(I) আসাম বিলাসিনী

(II) অৰুণোদই

(III) আসাম নিউজ

(IV) বিজুলী

(A) I, II, IV আৰু III

(B) II, III, I আৰু IV

(C) III, II, IV আৰু I

(D) II, I, III আৰু IV

**তলৰ 26 ৰ পৰা 30 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C আৰু D– এই চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰে শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

26. 'তেওঁলোকৰ (কামৰূপৰ) ভাষা মধ্যভাৰতৰ ভাষাতকৈ অলপহে বেলেগ'— হিউয়েন চাঙৰ এই উক্তিৰপৰা প্ৰমাণিত হয় যে—

(A) সেই সময়ত কামৰূপত মধ্য ভাৰততকৈ সম্পূৰ্ণ সুকীয়া ভাষা এটা চলিছিল।

(B) সেই সময়ত কামৰূপত মধ্য ভাৰতৰ ভাষাতকৈ সামান্য সুকীয়া ভাষা এটাই গঢ় লৈছিল।

(C) সেই সময়ত কামৰূপত কামৰূপী ভাষা চলিছিল।

(D) কামৰূপৰ ভাষাটো মধ্য ভাৰতৰপৰা অবিকৃতভাৱে আহি থিতাপি লৈছিল।

27. 'অসমীয়া ভাষাত স্বৰৰ দৈৰ্ঘ্য বৰ্ণগত (phonemic) নহয়।'— এই উক্তিৰপৰা সিদ্ধান্তলৈ আহিব পাৰি যে ঃ

(A) স্বৰৰ দৈৰ্ঘ্যৰ কাৰণে অসমীয়া ভাষাত অৰ্থৰ পৰিৱৰ্তন হয়।

(B) স্বৰৰ দৈৰ্ঘ্যৰ কাৰণে অসমীয়া ভাষাত অৰ্থৰ পৰিৱৰ্তন নহয়।

(C) স্বৰৰ উচ্চাৰণত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নথকাৰ কাৰণে আখৰ-জোঁটনিত খেলি-মেলি নেলাগে।

(D) স্বৰৰ উচ্চাৰণৰ দৈৰ্ঘ্যৰ ক্ষেত্ৰত সংস্কৃতৰ লগত অসমীয়াৰ মিল আছে।

28. এক বা অনেক বৰ্ণ দুবাৰ বা ততোধিকবাৰ আবৃত্ত হোৱা নিম্ন লিখিত "মোহদানন্দ কন্দ পৰমানন্দ নন্দ নন্দন বনচাৰী" পদ ফাকিত ব্যৱহৃত অলংকাৰক বুলিব পাৰি ঃ

(A) অনুপ্ৰাস (B) অন্ত্যানুপ্ৰাস (C) বৃত্তানুপ্ৰাস (D) ছেকানুপ্ৰাস

29. প্ৰকৃততে যিটো নহয় সাদৃশ্য হেতুকে তাকে হয় বুলি ভবা নিম্নলিখিত

"সোণ বৰণীয়া কেতেকী ধুনীয়া
গোন্ধতে আমোলমোল,
পদুম বুলি পৰি বন্দী হ'ল ভোমোৰা
কি ভুল কি ভুল ভুল।"

কবিতা ফাকিত ব্যৱহৃত অলংকাৰ হৈছে ঃ

(A) সন্দেহ (B) প্ৰতীপ (C) ভ্ৰান্তিমান (D) অপহ্নুতি

30. 'দেৱকান্ত বৰুৱা ক্ৰান্তিৰ কবি, নতুন পথৰো কবি'। কাৰণ,

(A) তেওঁ ৰোমান্টিক কবিতাৰ আদৰ্শৰ পৰা আঁতৰি আহিছিল।

(B) তেওঁ নতুন কবিতাৰ বাট মুকলি কৰিছিল।

(C) তেওঁ ৰোমান্টিক প্ৰেমৰ কবিতাত এক অভিনৱ ভঙ্গি প্ৰয়োগ কৰিছিল।

(D) তেওঁ ৰোমান্টিক যুগৰ শেষৰ কবি হৈ নতুন কবিতাৰো পথ মুকলি কৰিছিল।

31. বামনে 'ৰীতিৰাত্মা কাব্যস্য'ৰ জৰিয়তে ক'ব খুজিছে যে,

(A) ইয়াত কেৱল প্ৰসাদ গুণৰ প্ৰকাশ ঘটিছে।

(B) গুণ নহ'লেও কাব্যৰ শোভা প্ৰকাশ পায়।

(C) কাব্যৰ আত্মা ৰীতিৰপৰা গুণাত্মাৰ বিকাশ হয়।

(D) বিশেষত্ব থকা পদ-ৰচনাই ৰীতিক নুবুজাবও পাৰে।

32. "ৰাষ্ট্ৰীয় সাহিত্যৰ চাৰিসীমাৰ বাহিৰলৈকো প্ৰসাৰিত কৰা অধ্যয়নেই তুলনামূলক সাহিত্য"— এই উক্তিৰপৰা সিদ্ধান্তলৈ আহিব পাৰি যে,

(A) তুলনামূলক সাহিত্যৰ অধ্যয়ন কেৱল ৰাষ্ট্ৰীয় সাহিত্যৰ বাহিৰতহে হ'ব পাৰে।

(B) বিদেশী সাহিত্য তুলনামূলক সাহিত্যৰ আধাৰ।

(C) তুলনামূলক সাহিত্যত অনুবাদৰ গুৰুত্ব কম।

(D) তুলনামূলক সাহিত্যৰ অধ্যয়ন ৰাষ্ট্ৰীয় সাহিত্যৰ সীমাৰ ভিতৰতো হ'ব পাৰে, বাহিৰতো হ'ব পাৰে।

33. "অসমৰ সংস্কৃতি ভাৰতীয় আৰ্যমুখী হ'লেও ইয়াৰ দীঘে-বাণিয়ে মঙ্গোলীয় সংস্কৃতিৰ উপাদান উপচি আছে।" — এই উক্তিৰ পৰা সিদ্ধান্তলৈ আহিব পাৰি যে,

(A) অসমৰ সংস্কৃতিত কেৱল মঙ্গোলীয় সংস্কৃতিৰহে উপাদান আছে।

(B) অসমৰ সংস্কৃতি আধাৰ মঙ্গোলীয় সংস্কৃতি।

(C) অসমৰ সংস্কৃতি ভাৰতীয় আৰ্য সংস্কৃতি আৰু মঙ্গোলীয় সংস্কৃতিৰ মিশ্ৰিত ৰূপ।

(D) অসমৰ সংস্কৃতি কেৱল ভাৰতীয় আৰ্য সংস্কৃতি।

34. "সপ্তকাণ্ড ৰামায়ণ পদৰন্ধ্ৰে নিবন্ধিলোঁ, লম্ভা পৰিহৰি সাৰোদ্ধৃতে"— এই উক্তিৰপৰা বুজিব পাৰি যে,

(A) মাধৱ কন্দলিয়ে বাল্মীকিৰ সাতোটা কাণ্ড অনুবাদ কৰিছিল।

(B) মাধৱ কন্দলিয়ে বাল্মীকিৰ ৰামায়ণৰ মাজৰ পাঁচোটা কাণ্ডকে অনুবাদ কৰিছিল আৰু সপ্তকাণ্ডৰ দ্বাৰা সেই পাঁচোটা কাণ্ডকে বুজাইছিল।

(C) কৰুণ ৰসৰ প্ৰাধান্যৰ কাৰণেই মাধৱ কন্দলিয়ে উত্তৰাকাণ্ড অনুবাদ নকৰিলে।

(D) প্ৰক্ষিপ্ত বুলি ভাবি কন্দলিয়ে আদিকাণ্ডৰ অনুবাদতো হাত নিদিলে।

35. "অসমীয়া ভাষাৰ গঠনত আৰ্য আৰু অনাৰ্য ভাষাৰ উপাদান অনস্বীকাৰ্য।" ইয়াৰ পৰা এনে সিদ্ধান্তলৈ আহিব পাৰি যে,

(A) অসমীয়া ভাষাত বিদেশী ভাষাৰ উপাদান নাই।

(B) অসমীয়া ভাষাত আৰ্য ভাষাৰ উপাদানহে আটাইতকৈ বেছি।

(C) অসমীয়া ভাষাত আৰ্য-অনাৰ্য ভাষাৰ উপাদানৰ লগতে বিদেশী ভাষাৰ আৰু দেশজ উপাদানো মিহলি হৈ আছে।

(D) অসমীয়াত অনাৰ্য উপাদান তেনেই কম।

**তলৰ 36 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই A, B, C আৰু D চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে শুদ্ধ বিকল্পটো চিহ্নিত কৰা।**

36.

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (I) | বলিনাৰায়ণ বৰা | (1) | শকুন্তলা |
| (II) | লম্বোদৰ বৰা | (2) | চিন্তানল |
| (III) | কমলাকান্ত ভট্টাচাৰ্য | (3) | আসাম বন্ধু |
| (IV) | গুণাভিৰাম বৰুৱা | (4) | জোনাকী |
| | | (5) | মৌ। |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 5 | 3 | 4 | 1 |
| (B) | 2 | 3 | 1 | 5 |
| (C) | 5 | 1 | 2 | 3 |
| (D) | 1 | 4 | 3 | 5 |

37.

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (I) | বিনন্দচন্দ্ৰ বৰুৱা | (1) | বিৰহী কবি |
| (II) | ৰত্নকান্ত বৰকাকতী | (2) | বকুল বনৰ কবি |
| (III) | আনন্দচন্দ্ৰ বৰুৱা | (3) | ধ্বনি কবি |
| (IV) | গনেশ চন্দ্ৰ গগৈ | (4) | শেৱালি কবি |
| | | (5) | বনফুলৰ কবি |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 4 | 3 | 1 | 2 |
| (B) | 3 | 4 | 2 | 1 |
| (C) | 1 | 4 | 5 | 3 |
| (D) | 2 | 1 | 4 | 3 |

38. **স্তম্ভ 'ক'** **স্তম্ভ 'খ'**

| | | | |
|---|---|---|---|
| (I) | ওমৰ তীৰ্থ | (1) | 1952 |
| (II) | বন ফুল | (2) | 1933 |
| (III) | কথা কবিতা | (3) | 1925 |
| (IV) | আপোন সুৰ | (4) | 1938 |
| | | (5) | 1951 |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 3 | 1 | 2 | 4 |
| (B) | 1 | 4 | 2 | 3 |
| (C) | 4 | 3 | 1 | 2 |
| (D) | 2 | 4 | 3 | 1 |

39. **স্তম্ভ 'ক'** **স্তম্ভ 'খ'**

| | | | |
|---|---|---|---|
| (I) | হেমচন্দ্ৰ গোস্বামী | (1) | 1871 |
| (II) | চন্দ্ৰকুমাৰ আগৰৱালা | (2) | 1864 |
| (III) | লক্ষ্মীনাথ বেজবৰুৱা | (3) | 1872 |
| (IV) | পদ্মনাথ গোহাঞি বৰুৱা | (4) | 1867 |
| | | (5) | 1870 |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 2 | 4 | 3 | 5 |
| (B) | 4 | 1 | 3 | 5 |
| (C) | 3 | 4 | 2 | 1 |
| (D) | 1 | 2 | 3 | 5 |

40. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (I) | ধ্বনিবাদ | (1) | দণ্ডী |
| (II) | উৎপত্তিবাদ | (2) | কুন্তক |
| (III) | বক্রোক্তিবাদ | (3) | ভট্টলোল্লট |
| (IV) | ৰীতিবাদ | (4) | আনন্দ বৰ্দ্ধন |
| | | (5) | বামন |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 5 | 1 | 2 | 3 |
| (B) | 2 | 4 | 1 | 5 |
| (C) | 1 | 3 | 4 | 2 |
| (D) | 4 | 3 | 2 | 5 |

41. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (I) | মিচিং | (1) | ছমাংকন |
| (II) | গাৰো | (2) | আলি আই লিগাং |
| (III) | ৰাভা | (3) | ৰাংগালা |
| (IV) | কাৰ্বি | (4) | বায়খো |
| | | (5) | বেদেইন খ্লাম |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 3 | 5 | 2 | 1 |
| (B) | 1 | 2 | 3 | 4 |
| (C) | 2 | 3 | 4 | 1 |
| (D) | 3 | 1 | 4 | 5 |

42. **স্তম্ভ 'ক'** **স্তম্ভ 'খ'**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (I) | মালিনী থান | (1) | হাজো |
| (II) | শ্ৰীসূৰ্য পাহাৰ | (2) | শিৱসাগৰ |
| (III) | পোৱামক্কা | (3) | গোৱালপাৰা |
| (IV) | দ-পৰ্বতীয়া তোৰণ | (4) | চিলাপথাৰ |
| | | (5) | তেজপুৰ |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 4 | 3 | 1 | 5 |
| (C) | 2 | 4 | 5 | 3 |
| (D) | 3 | 1 | 2 | 4 |

43. **স্তম্ভ 'ক'** **স্তম্ভ 'খ'**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (I) | অসমীয়া জন সাহিত্য | (1) | লীলা গগৈ |
| (II) | অসমৰ লোক-সংস্কৃতি | (2) | হেম বুঢ়াগোহাঞি |
| (III) | অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা | (3) | প্ৰফুল্লদত্ত গোস্বামী |
| (IV) | জন সংস্কৃতিৰ ৰূপৰেখা | (4) | বিৰিঞ্চি কুমাৰ বৰুৱা |
| | | (5) | নিৰ্মল প্ৰভা বৰদলৈ |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 1 | 2 | 5 | 3 |
| (B) | 2 | 3 | 4 | 1 |
| (C) | 3 | 4 | 1 | 2 |
| (D) | 2 | 3 | 1 | 4 |

44. **স্তম্ভ ‘ক’** **স্তম্ভ ‘খ’**

| | | | |
|---|---|---|---|
| (I) | অসমীয়া সাহিত্যৰ চানেকি | (1) | উপেন্দ্ৰনাথ গোস্বামী |
| (II) | অসমীয়া ভাষাৰ মৌলিক বিচাৰ | (2) | দেৱানন্দ ভৰালি |
| (III) | অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু সমৃদ্ধি | (3) | হেমচন্দ্ৰ গোস্বামী |
| (IV) | অসমীয়া ব্যাকৰণ প্ৰৱেশ | (4) | কালিৰাম মেধি |
| | | (5) | গোলোকচন্দ্ৰ গোস্বামী |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 3 | 2 | 1 | 5 |
| (B) | 2 | 1 | 4 | 3 |
| (C) | 4 | 2 | 1 | 5 |
| (D) | 2 | 3 | 4 | 1 |

45. **স্তম্ভ ‘ক’** **স্তম্ভ ‘খ’**

| | | | |
|---|---|---|---|
| (I) | ৰেৱতীমোহন দত্ত চৌধুৰী | (1) | ৰাস্না বৰুৱা |
| (II) | সুৰেন্দ্ৰ কুমাৰ মেধি | (2) | নচিকেতা |
| (III) | ভৱানন্দ দত্ত | (3) | সৌৰভ চলিহা |
| (IV) | বিৰিঞ্চি কুমাৰ বৰুৱা | (4) | শীলভদ্ৰ |
| | | (5) | এখুদ ককাইদেউ |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 2 | 3 | 4 | 5 |
| (B) | 4 | 3 | 2 | 1 |
| (C) | 3 | 2 | 1 | 4 |
| (D) | 1 | 3 | 2 | 5 |

**নিম্নলিখিত কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া** 46 **ৰ পৰা** 50 **লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ** A, B, C **আৰু** D **ৰ পৰা বাছি চিহ্নিত কৰা।**

আমি বাস্তৱিকে দৈনিক জীৱনত যিমানেই লক্ষ্য নকৰি থাকোঁ, আমাৰ ভাল পোৱা বেয়া পোৱা সকলোবোৰ মানসিক আৱেগক আমাৰ অবিৰাম, অশ্ৰান্ত কল্পনা-শক্তিয়ে উদগাই দিয়ে। মানুহৰ আশা যেনেকৈ অতৃপ্ত, অন্তনিৰ্হিত, অনেক সময়ত অপৰিজ্ঞেয় ভৱিষ্যত বাসনা লক্ষ্য কৰিহে থাকিব পাৰে, সেইদৰে মানুহৰ সৌন্দৰ্যৰ অনুসন্ধিৎসা বাস্তৱ-জ্ঞানৰ বাহিৰত থকা বস্তুৰ উদ্দেশ্যেহে, নাইবা অপূৰ্ণ পৰিস্ফুট আবেগক লক্ষ্য কৰিহে নিজে নজনাকৈ নিজতে লুকাই থাকে। অপৰিস্ফুট কুসুম-কলিকা লৈ কল্পনা শক্তিয়ে যিমান খেলা কৰিব পাৰে বা আনন্দ বা নিৰানন্দ পাব পাৰে, পূৰ্ণ-বিকশিত কুসুমত সেই আনন্দ বা নিৰানন্দ ভাৰ অকণো নাথাকে, অন্ততঃ কল্পনা শক্তিয়ে বিচাৰি নাপায়। কিয়নো ইয়াৰ ভৱিষ্যত নাই, অথবা যি আছে সি জ্ঞানগম্য। জ্ঞানৰ অগম্য সংযত শোক পৰিমাণ কৰিবলৈ গৈ কল্পনা-শক্তিয়ে অনন্ত লীলা, অনন্ত খেলা খেলিবলৈ অৱকাশ পায়। কিন্তু হৃদয়-নিহিত প্ৰশান্ত বেদনা প্ৰকাশ কৰিবলৈ কল্পনা-শক্তিও অসমৰ্থ। সাগৰৰ পাৰত থিয় হৈ মানুহে সাগৰৰ অনন্ত প্ৰকৃতিৰ কথা ভাবি ভাবি আপোন পাহৰাহে হ'ব পাৰে। কি ভাবিলে, কি বুজিলে, ভাষাৰে প্ৰকাশ কৰি ক'ব নোৱাৰে।

কবিৰ কল্পনা-শক্তিও মানৰ জীৱনৰ অনন্ত শোক-পাৰাবাৰৰ তীৰত নিজেই বিহ্বল হ'বহে পাৰে আৰু আনক নিজৰ ভাবাকুল অৱস্থাত পেলাবহে পাৰে। কিন্তু নিজৰ ৰহস্যময় ভাব আনক ক'ব নোৱাৰে। দুই এটা উদাহৰণ নিদিলে বুজিবলৈ বৰ জটিল।

মহাকবি কালিদাসৰ ৰঘুবংশত সীতাৰ বনবাস সকলোৱে পঢ়িছে। সকলোৰে মনত আছে, লক্ষ্মণে এৰি অহাৰ পিছত সীতাই নিজৰ ভূত-ভৱিষ্যত বৰ্তমান আদি ভাবি ভাবি বাৰে বাৰে কেনেকৈ উদ্বিগ্না কুৰুৱা পক্ষীৰ নিচিনাকৈ ৰাও কাঢ়ি উঠিছিল সেই আটাইবোৰ শ্লোক অতীৱ কাৰুণ্য-সূচক। কিন্তু সেই আটাইবোৰৰ ভিতৰত অতীৱ গভীৰ প্ৰশান্ত হৃদয় ভাৱক এই এটা শ্লোকৰ আধাখিনিহে—

ভূয়ো যথা মে জননান্তৰেহপি ত্বমেৱ ভৰ্তা ন চ ৱিপ্ৰয়োগ ঃ।

সীতাৰ মনৰ তীব্ৰ যাতনা বুজিবলৈ আগৰ শ্লোকবোৰ নপঢ়িলেও হয়, যদিও অমৰ সৌন্দৰ্যেৰে সেইবোৰ ভৰপূৰ। কিন্তু সেইবোৰত সেই তীব্ৰ মুহূৰ্তৰ সীতাৰ উক্তি বুলি বিশেষ কোনো চিন নাই। তেনে অৱস্থাত প্ৰায় সকলোৱে তেনেকৈ বিলাপ কৰিব পাৰে। অথচ বিলাপ-কৰ্তাৰ মনৰ প্ৰক্ৰিয়া তেনে শোকধ্বনিৰপৰা অলপো কমাব নোৱাৰি।

46. মানুহৰ সৌন্দৰ্য অনুসন্ধিৎসা কাক লক্ষ্য কৰি নিজে নজনাকৈ নিজতে লুকাই থাকে?

(A) পূৰ্ণ প্ৰকাশিত আবেগক লক্ষ্য কৰি

(B) অপূৰ্ণ পৰিস্ফুট আবেগক লক্ষ্য কৰি

(C) মানুহৰ অনন্ত আকাংখ্যাক লক্ষ্য কৰি

(D) মানুহৰ বাস্তৱ জ্ঞানৰ অন্তৰ্ভুক্ত বস্তুক লক্ষ্য কৰি।

47. মানুহৰ জীৱনত কল্পনা-শক্তিৰ অসমৰ্থতা কোনখিনিত?

(A) মনৰ আনন্দ প্ৰকাশ কৰাত

(B) হৃদয়নিহিত প্ৰশান্ত বেদনা প্ৰকাশ কৰাত

(C) মানুহৰ আশা-আকাংখ্যাৰ ছবি তুলি ধৰাত

(D) মানুহৰ মনৰ সকলো কথা প্ৰকাশ কৰাত।

48. তলৰ কোনটো মন্তব্য সত্য?

(A) কবিয়ে নিজৰ মনৰ ৰহস্যময় ভাৱ স্পষ্টকৈ ক'ব নোৱাৰে

(B) কবিয়ে জীৱনৰ অনন্ত সুখ পাৰাবাৰত হাবুডুবু নাখায়।

(C) কবিয়ে কেতিয়াও আনক নিজৰ ভাবাকুল অৱস্থাত পেলাব নোৱাৰে।

(D) কবিয়ে নিজৰ মনৰ ৰহস্যময়ভাৱ স্পষ্টকৈ বুজাই ক'ব পাৰে।

49. সকলোবোৰ মানসিক আবেগক উদগাই দিয়ে—

(A) চিন্তাশক্তিয়ে (B) জীৱনৰ দুখবোধে (C) কল্পনাশক্তিয়ে (D) সুখানুভূতিয়ে

50. পূৰ্ণ বিকশিত কুসুমক লৈ কল্পনা শক্তিয়ে খেলা কৰিব নোৱাৰে। কাৰণ,

(A) কাৰণ কবি পূৰ্ণতাৰ উপাসক নহয়

(B) জীৱনৰ দুখবোধে

(C) কল্পনা শক্তিয়ে

(D) দুখানুভূতিয়ে

- o O o -

**Space For Rough Work**